**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। ভাৰত আৰু জাৰ্মানীয়ে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে আজি কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবেও আজি মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ অন্ত পৰে।

৩। কেন্দ্ৰই বায়ু প্ৰদূষণৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰসমূহক প্ৰস্তুতি ব্যাপক কৰি তুলিবলৈ আহ্বান জনাইছে।

আৰু

৪। নিউজিলেণ্ডে পুণে টেষ্টৰ আজি দ্বিতীয় দিনা ৫ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৯৮ ৰান সংগ্ৰহ কৰে।

০০০০০০০

ভাৰত আৰু জাৰ্মানীয়ে আজি দ্বিপাক্ষিক সম্বন্ধ সুদৃঢ় কৰাৰ বাবে সেউজ হাইড্ৰ'জেন, উদ্ভাৱন আৰু প্ৰযুক্তি আদিৰ ক্ষেত্ৰত ভালেমান বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। নতুন দিল্লীত দুয়োখন দেশৰ প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাৰ্মানীৰ চেঞ্চেলৰ অ'লাফ ছ'ল্জৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। ভাৰত আৰু জাৰ্মানীয়ে তথ্যৰ আদান-প্ৰদানৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰে। দুয়োখন দেশে উদ্ভাৱন আৰু প্ৰযুক্তিৰে সেউজ হাইড্ৰ'জেনৰ ক্ষেত্ৰত কাম কৰাৰ বাবে দায়বদ্ধতা প্ৰকাশ কৰিছে। তেওঁলোকে লগতে অপৰাধীৰ বিষয় আৰু পাৰস্পৰিক আইনী সাহায্য সন্দৰ্ভত চুক্তি সম্পাদন কৰে। ভাৰত আৰু জাৰ্মানীয়ে লগতে বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণ, দক্ষতা বিকাশ আদি ক্ষেত্ৰত সহযোগিতাৰ বাবে বুজাবুজিৰ চুক্তি সম্পাদন কৰে।

-বাইট-

ইয়াৰোপৰি দুয়ো পক্ষই নিয়োগ আৰু শ্ৰম আধুনিক সা-সৰঞ্জামৰ গৱেষণা আৰু উন্নয়ন আৰু চহৰাঞ্চলত সেউজ যান-বাহন চলাচল সন্দৰ্ভত তিনিখন চুক্তি স্বাক্ষৰ কৰে। এটা যুটীয়া প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ বৰ্তমান অব্যাহত থকা সংঘাতজৰ্জৰ পৰিস্থিতিৰ অৱসান ঘটাই শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে ভাৰত আৰু জাৰ্মানীয়ে এনেধৰণৰ সংঘাতৰ বিষয় সন্দৰ্ভত সজাগ ভূমিকা অৱলম্বন কৰিছে আৰু সমস্যাৰ সমাধানৰ ক্ষেত্ৰত কেতিয়াও যুদ্ধই সমাধান নিদিয়ে বুলি ভাৰতে নিজৰ স্থিতি স্পষ্ট কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু জাৰ্মানীৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত আজি কয় যে উদ্ভাৱন আৰু প্ৰযুক্তিৰ এটা নক্সা আজি মুকলি কৰা হৈছে। তেওঁ কয় যে জটিল আৰু বৰ্তমানৰ আধুনিক প্ৰযুক্তিসমূহ, দক্ষতা বিকাশ আৰু উদ্ভাৱনৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, অৰ্ধ পৰিবাহী আৰু সেউজ শক্তিৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰিব। শ্ৰী মোদীয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত মুক্তভাৱে আহ-যাহ কৰা আৰু এই সন্দৰ্ভত এখন আইনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ দৰে আন বহুপাক্ষিক প্ৰতিষ্ঠানসমূহৰ সংস্কাৰৰ প্ৰয়োজন আছে। জাৰ্মানীৰ চেঞ্চেলৰ অ'লাফ ছ'ল্জে তেওঁৰ বিজ্ঞপ্তিত ভাৰত আৰু জাৰ্মানীৰ কৌশলগত সহযোগিতা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে উদ্ভাৱন, গতিশীলতা আৰু স্থিৰতাৰে দুয়োখন দেশ একেলগে আগুৱাই যাব। তেওঁ লগতে কয় যে ইউৰোপীয় সংঘত ভাৰত জাৰ্মানীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বাণিজ্যিক অংশীদাৰ আৰু অৰ্থনৈতিক সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত তেওঁ দায়বদ্ধ। ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত অভিলাষী মুক্ত বাণিজ্য চুক্তি সম্পাদন কৰাৰ ক্ষেত্ৰত তেওঁ দৃঢ়তাৰে সমৰ্থন কৰে। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতাই হায়দৰাবাদ হাউছত বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ বৈঠকত অংশগ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা বিভাগৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত ব্যৱসায়িক সম্পৰ্ক বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কৈছে যে জাৰ্মানীৰ অভিযান্ত্ৰিক দক্ষতা আৰু ভাৰতৰ ভৌতিক, ডিজিটেল আৰু সামাজিক আন্তঃগাঁথনি সুদৃঢ়কৰণৰ সামৰ্থৰ সংযোজনে বিশ্বৰ বাবে অসাধাৰণ কিবা এটা সৃষ্টি কৰিব। নতুন দিল্লীত আজি জাৰ্মান ব্যৱসায়ৰ অষ্টাদশ এছিয়া-প্ৰশান্ত সন্মিলন মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ভৱিষ্যতৰ ব্যৱসায়ৰ বাবে সংস্কাৰ, স্থিতি স্থাপকতা আৰু প্ৰস্তুতি জৰুৰী। এই সন্মিলন উদীয়মান ধাৰাৰ চিনাক্তকৰণ আৰু গোলকীয় প্ৰত্যাহ্বান দূৰ কৰাৰ দিশৰপৰা গুৰুত্বপূৰ্ণৰূপে পৰিগণিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ভাৰত আৰু জাৰ্মানীৰ মাজৰ সমন্বয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা অৰ্ধ পৰিবাহী খণ্ডলৈ অভূতপূৰ্ব বিকাশৰ পথ প্ৰশস্ত কৰিব পাৰে বুলিও তেওঁ উল্লেখ কৰে।

জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ দূৰ কৰা বিষয় সম্পৰ্কে মত প্ৰকাশ কৰি শ্ৰী গোৱেলে ২০১৫ চনত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন সন্মিলন চি অ' পি -টুৱেণ্টী ৱানত ভাৰতে দিয়া প্ৰতিশ্ৰুতিৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে গ্ল'বেল ছাউথ আৰু উন্নয়নশীল দেশসমূহৰ সৈতে সমূহীয়াভাৱে সমাধানৰ হকে কাম কৰি আছে।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে। আজি অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। ইয়াকে লৈ এই সমষ্টিকেইটাৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে ছিদলীত বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে, বঙাইগাঁৱত অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। বঙাইগাঁৱৰ কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেন জিৎ সিংহইও আজি মনোনয়ন পত্ৰ দাখিল কৰে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে।

০০০০০০০

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়াৰো সামৰণি পৰে। ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেণে চৰায়কেলা সমষ্টিৰ পৰা মনোনয়ন দাখিল কৰাৰ বিপৰীতে অল ঝাৰখণ্ড ষ্টুডেণ্ট্ছ ইউনিয়ন পাৰ্টীৰ মুৰব্বী সুদেশ কুমাৰ মাহাতোই ছিল্লি সমষ্টিৰ পৰা মনোনয়ন দাখিল কৰে। একেদৰে প্ৰাক্তন মন্ত্ৰী ৰাধাকৃষ্ণ কিশোৰে ছটৰপুৰ, য়োগেন্দ্ৰ প্ৰসাদ মাহাতোই জে এম এম দলৰ প্ৰাৰ্থী হিচাপে গোমিয়াৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। এই পৰ্যায়ৰ বাবে দাখিল কৰা মনোনয়নসমূহ ২৮ অক্টোবৰত পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ৩০ অক্টোবৰ পৰ্যন্ত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। প্ৰথম পৰ্যায়ত অহা ১৩ নৱেম্বৰত ৰাজ্যখনৰ ৪৩ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছৰেপৰা ৰাজ্যখনৰ বিভিন্ন অংশত চলোৱা তালাচী অভিযানত নগদ ২৭ কোটি টকা আৰু অবৈধ সা-সামগ্ৰী জব্দ কৰা হৈছে। নিৰ্বাচনী আচৰণবিধি উলংঘনৰ ঘটনা সংক্ৰান্তত ১৪ খন এজাহাৰ ৰুজু কৰা হৈছে।

০০০০০০০

কেন্দ্ৰই বায়ু প্ৰদূষণৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰসমূহক  প্ৰস্তুতি ব্যাপক কৰি তুলিবলৈ আহ্বান জনাইছে। স্বাস্থ্য সেৱাৰ সঞ্চালকপ্ৰধান ডʼ অতুল গোৱেলে বায়ু প্ৰদূষণৰ প্ৰস্তুতি সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্য বিভাগলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ কৈছে যে বায়ু প্ৰদূষণৰ ফলত জনসাধাৰণৰ স্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে আৰু উশাহ-নিশাহ, হৃদৰোগ, ৰক্তপ্ৰৱাহজনিত ৰোগ বৃদ্ধি পায়। শিশু, গৰ্ভৱতী মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকল বিশেষকৈ বায়ু প্ৰদূষণৰ পৰা বেয়াকৈ প্ৰভাৱিত হয় বুলিও ডʼ গোৱেলে প্ৰকাশ কৰে। তেওঁ ৰাজ্যসমূহক আঞ্চলিক ভাষাৰ গণ মাধ্যমৰ জৰিয়তে জনসজাগতা অভিযান তীব্ৰতৰ কৰি তুলিবলৈ আহ্বান জনাইছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে পশুধনৰ ২১ সংখ্যক পিয়লৰ লগতে জীৱ-জন্তুৰ মহামাৰী নিয়ন্ত্ৰণৰ প্ৰস্তুতি তথা দেশৰ পশু স্বাস্থ্য সুৰক্ষা সুদৃঢ়কৰণৰ উদ্দেশ্যে আজি মহামাৰী নিধি প্ৰকল্প আৰম্ভ কৰিছে। এই উপলক্ষে মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন

সিঙে কয় যে চৰকাৰ ২০৩০ চন পৰ্যন্ত চবকা আৰু ব্ৰুছেলছিচ ৰোগ নিৰ্মূল কৰিবলৈ বদ্ধপৰিকৰ। তেওঁ লগতে কয় যে পশুধনৰ পিয়লে নীতি প্ৰণয়ন আৰু পশুধনৰ ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। মন্ত্ৰীগৰাকীয়ে কয় যে জি-২০ মহামাৰী কোষ প্ৰকল্পৰ অধীনত লাভ কৰা ধনৰাশিয়ে পশু চিকিৎসালয়ৰ বিকাশ আৰু উন্নয়নত সহায় কৰিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি দ্বিতীয়দিনৰ খেলৰ সামৰণিৰ পৰলৈকে ৫ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৯৮ ৰান সংগ্ৰহ কৰে। আলহী দলটো হাতত ৫টা উইকেট বাকী থকা অৱস্থাত ভাৰতত‌কৈ সামগ্ৰিকভাৱে ৩০১ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ২৫৯ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে ১৫৬ ৰানতে প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ মিছেল চেণ্টনৰে ৭টা উইকেট দখল কৰে। নিউজিলেণ্ড এই তিনিখনীয়া শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। আলহী দলটোৱে বাংগালুৰুত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক ৮ উইকেটত পৰাস্ত কৰিছে।

0000000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পৰহিলৈ গুৱাহাটীত উপস্থিত হ'ব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে। পৰহিলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলত অংশগ্ৰহণ কৰিব।

0000000

**সমাপ্ত**